# নগাঁৱত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ত ৰাষ্ট্ৰীয় গ্ৰন্থাগাৰিক দিৱস উদযাপন

**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও, ১২ আগষ্ট** ঃ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়েও কেন্দ্ৰীয় গ্ৰন্থাগাৰৰ উদ্যোগত 'গ্ৰন্থাগাৰ আৰু তথ্য বিজ্ঞান' বিষয়ৰ পিতৃ-পুৰুষ ড° এছ আৰ ৰংগনাথনৰ ১২৯ সংখ্যক জন্মদিনৰ সৈতে ৰজিতা খুৱাই 'ৰাষ্ট্ৰীয় গ্ৰন্থাগাৰিক দিৱস' উদ্‌যাপন কৰে। আনুষ্ঠানিকতা ৰক্ষা কৰি, কোভিড নীতি মানি চলি পুৱাৰ ভাগত ৰংগনাথনৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰে বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য ড° হিতেশ ডেকা প্ৰমুখ্যে বিষয়ববীয়া, অধ্যাপক-অধ্যাপিকা তথা গ্ৰন্থাগাৰৰ বিষয়া-কৰ্মচাৰীসকলে। ইয়াৰ পাছতে গুগল মিট মাধ্যমেৰে আয়োজন কৰা অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰে বিশ্ববিদ্যালয়খনৰ কেন্দ্ৰীয় পুথিভঁৰালৰ সহকাৰী গ্ৰন্থাগাৰিক শেখৰজ্যোতি নেওগে। উদ্বোধনী ভাষণ আগবঢ়াই বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য ড° হিতেশ ডেকাই কয় ঃ কেৱল নিৰ্দিষ্ট এখন শিক্ষানুষ্ঠানৰ শিক্ষাৰ্থী তথা শিক্ষানুষ্ঠানখনৰ অন্যান্য পঢ়ুৱৈৰ মাজতে সীমাবদ্ধ কৰি নাৰাখি, অন্যান্য শিক্ষানুষ্ঠান তথা সমাজৰ সকলো স্তৰৰ পঢ়ুৱৈৰ বাবে গ্ৰন্থাগাৰসমূহ মুকলি কৰি দিলেহে সমাজৰ সৰ্বাংগীণ উৎকৰ্ষ সাধনৰ লক্ষ্য পূৰণ হ'ব'। বিশ্ববিদ্যালয়খনেও এই কথা চিন্তা কৰি নগাঁৱৰ প্ৰায় সকলোবোৰ শিক্ষানুষ্ঠান তথা সাধাৰণ জনতাৰ বাবে বিশ্ববিদ্যালয়খনৰ গ্ৰন্থাগাৰটি মুকলি কৰাৰ ব্যৱস্থা লৈছে। ৰাষ্ট্ৰীয় গ্ৰন্থাগাৰিক দিৱসৰ সৈতে সংগতি ৰাখি আয়োজন কৰা 'শৈক্ষিক আৰু সামাজিক উত্তৰণত গ্ৰন্থাগাৰৰ ভূমিকা' শীৰ্ষক বিষয়ত মূল ভাষণ আগবঢ়াই অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° চাহিন জাফ্ৰীয়ে। বিজ্ঞানসন্মত গ্ৰন্থ অধ্যয়ন, গ্ৰন্থ অধ্যয়নৰ প্ৰয়োজনীয়তা আৰু উপকাৰিতা সম্পৰ্কত এক নাতিদীৰ্ঘ বক্তব্য প্ৰদান কৰে। অনুষ্ঠানটোত সামৰণি বক্তব্য আগবঢ়াই বিশ্ববিদ্যালয়খনৰ গুৱাহাটী চৌহদস্থিত গ্ৰন্থাগাৰৰ গ্ৰন্থাগাৰ সহায়ক ৰুবুল দাসে। গ্ৰন্থাগাৰ সহায়িকা তন্ময়া শৰ্মাই শলাগৰ শৰাই আগবঢ়োৱা অনুষ্ঠানটিত পঞ্জীয়ক ড° মৃণাল কুমাৰ বৰা, প্ৰশাসনিক উপ-পঞ্জীয়ক ড° শেখৰকান্তি সৰকাৰ, শৈক্ষিক সহকাৰী পঞ্জীয়ক বিচিত্ৰ বিকাশ, সহকাৰী পৰীক্ষা নিয়ন্ত্ৰক মানস কপিল পাঠকৰ লগতে বিশ্ববিদ্যালয়খনৰ অধ্যাপক-অধ্যাপিকা, বিষয়া-কৰ্মচাৰী, গৱেষক-গৱেষিকা আৰু ছাত্ৰ-ছাত্ৰীসকলেও অংশগ্ৰহণ কৰে।